NSD NEWS BULLETIN
ALL INDIA RADIO, GUWAHATI
0000000000

**Date : 09-**10-2024
**Time :** 19.10 hrs

*Assamese Evening Bulletin*

## HEADLINES

১। উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড়ে উন্নত ৰাষ্ট্ৰৰ লক্ষ্যত উপনীত হোৱাৰ ক্ষেত্ৰত গৱেষণা আৰু উদ্ভাৱনৰ গুৰুত্বপূৰ্ণ ভূমিকা আছে বুলি মন্তব্য কৰিছে।

২। ঝাৰখণ্ড আৰু মহাৰাষ্ট্ৰ বিধানসভা নিৰ্বাচনৰ প্ৰচাৰ পূৰ্ণ গতিত চলি আছে।

৩। ৰাষ্ট্ৰীয় ৰাজধানী দিল্লীৰ বায়ুৰ গুণগত মান এতিয়াও শোচনীয় হৈ আছে বুলি বতৰ বিজ্ঞান বিভাগে প্ৰকাশ কৰিছে।

৪। সমগ্ৰ বিশ্বত সংক্ৰামক ৰোগৰ প্ৰতিৰোধ আৰু জনস্বাস্থ্য সুৰক্ষিত কৰাৰ ক্ষেত্ৰত প্ৰতিষেধকৰ ভূমিকাৰ বিষয়ে সজাগতা সৃষ্টি কৰাৰ উদ্দেশ্যে কাইলৈ বিশ্ব টীকাকৰণ দিৱস পালন কৰা হ'ব।

*আৰু*

৫। ভাৰতৰ পংকজ আদৱানীয়ে বিশ্ব বিলিয়াৰ্ডছ ছেম্পিয়নশ্বিপৰ খিতাপ অৰ্জন কৰিছে।

০০০০০০০০

উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড়ে কয়, যে উন্নত ৰাষ্ট্ৰৰ লক্ষ্যত উপনীত হোৱাৰ দিশৰ পৰা গৱেষণা আৰু উদ্ভাৱন অতিকে গুৰুত্বপূৰ্ণ। আজি নতুন দিল্লীৰ ৰাষ্ট্ৰীয় প্ৰযুক্তি প্ৰতিষ্ঠানৰ চতুৰ্থ সমাৱৰ্তন সমাৰোহ সম্বোধন কৰি শ্ৰী ধনখড়ে কয়, যে গৱেষণা আৰু উদ্ভাৱনৰ ক্ষেত্ৰত দেশৰ উচ্চ স্থানে গোলকীয় সম্প্ৰদায়ৰ মাজত ইয়াৰ স্থিতি প্ৰতিফলিত কৰে। তেওঁ লগতে কয়, যে শৈক্ষিক প্ৰতিষ্ঠানসমূহক গৱেষণা আৰু উদ্ভাৱনৰ বাবে নিজৰ সামৰ্থ প্ৰয়োগ কৰা উচিত। কোম্পানীসমূহক এই ক্ষেত্ৰত গুৰুত্বপূৰ্ণ অৱদান আগবঢ়াবলৈ উপ-ৰাষ্ট্ৰপতিগৰাকীয়ে আহ্বান জনায়। তেওঁ কয়, যে উদ্যোগ, বাণিজ্য আৰু ব্যৱসায়ীক সংস্থাসমূহে গৱেষণা আৰু উদ্ভাৱনৰ বাবে উদাৰভাৱে বিত্তীয় অৱদান আগবঢ়োৱা উচিত।

শ্ৰী ধনখড়ে কয়, যে শিক্ষাত বিনিয়োগ, সমাজৰ প্ৰতি সেৱা আগবঢ়োৱাৰ আটাইতকৈ প্ৰভাৱশালী মাধ্যম। কাৰণ ইয়াৰ ফলত মানৱ সম্পদ সমৃদ্ধিশালী হৈ উঠে আৰু আমাৰ বৰ্তমান তথা ভৱিষ্যৎ সুৰক্ষিত হয়। শিক্ষাক বাণিজ্যিক দৃষ্টিভংগীৰে চোৱা উচিত নহয় বুলি উল্লেখ কৰি শ্ৰী ধনখড়ে কয়, যে এয়া এক প্ৰকাৰৰ কৰ্তব্যহে।

০০০০০০০০

প্ৰধানমন্ত্ৰী তথা বিজেপিৰ জ্যেষ্ঠ নেতা নৰেন্দ্ৰ মোদীয়ে আজি কয় যে, মহা মিত্ৰজোঁট চৰকাৰে মহাৰাষ্ট্ৰৰ মাৰাঠৱাড়া অঞ্চলৰ উন্নয়নৰ বাবে অহৰহ কাম কৰি আহিছে। নান্দেড়ত এখন নিৰ্বাচনী সভাত ভাষণ দি শ্ৰী মোদীয়ে এইদৰে প্ৰকাশ কৰে। তেওঁ কয় যে বিগত আঢ়ৈ বছৰত মাৰাঠৱাড়া অঞ্চলত ৮০ হাজাৰ কোটিৰো অধিক টকা বিনিয়োগ হৈছে। নান্দেড়ৰ পাঁচ লাখৰো অধিক খেতিয়কে প্ৰধানমন্ত্ৰী কিষাণ সন্মান নিধিকে ধৰি বিভিন্ন আঁচনিৰ অধীনত এক কোটি ৫০ লাখ লাভ কৰিছে।

ইয়াৰ পূৰ্বে বিধৰ্ভ অঞ্চলৰ অক'লাত এখন নিৰ্বাচনী সভাত ভাষণ দি প্ৰধানমন্ত্ৰীয়ে কয় যে, কেন্দ্ৰীয় চৰকাৰে অমৰাবতীত বস্ত্ৰ উদ্যানৰ আধাৰশিলা স্থাপন কৰি কঁপাহ খেতিয়কসকলৰ বাবে উদ্যোগ আৰু আন্তঃগাঁথনিৰ প্ৰসাৰত সহায় কৰিছে। শ্ৰী মোদীয়ে কয় যে তেওঁৰ চৰকাৰে তৃতীয় কাৰ্যকালত মহাৰাষ্ট্ৰত কেইবা কোটি টকাৰ উন্নয়নমূলক প্ৰকল্প মুকলি কৰিছে আৰু ইয়াৰ ভিতৰত কেইবাটাও আন্তঃগাঁথনি প্ৰকল্প আছে। তেওঁ কয় যে কেন্দ্ৰীয় চৰকাৰে মাৰাঠী ভাষাক ধ্ৰুপদী ভাষাৰ মৰ্যাদা প্ৰদান কৰিছে আৰু ইয়াৰ ফলত ৰাজ্যখনত গৌৰৱ বৃদ্ধি পাইছে।

০০০০০০০০

ঝাৰখণ্ড বিধানসভা নিৰ্বাচনৰ প্ৰচাৰ পূৰ্ণ গতিত চলি আছে। এন ডি এ আৰু আই এন ডি আই উভয় মিত্ৰজোঁটৰ নেতাসকলে তেওঁলোকৰ দলীয় প্ৰাৰ্থীৰ হৈ ৰাজ্যখনৰ বিভিন্ন প্ৰান্তত প্ৰচাৰ চলাই আছে। বিজেপিৰ জ্যেষ্ঠ নেতা অমিত শ্বাহে আজি পালামুৰ চটপুৰৰ এখন নিৰ্বাচনী সভাত অংশ লৈ কংগ্ৰেছ নেতা ৰাহুল গান্ধী অন্যান্য পিছপৰা শ্ৰেণী, দলিত আৰু জনজাতীয় সম্প্ৰদায়ৰ বিৰোধী বুলি অভিযোগ তোলে। আনহাতে কংগ্ৰেছৰ জ্যেষ্ঠ নেতা ৰাহুল গান্ধীয়ে ধানবাদ জিলাৰ বাঘমাৰাত এখন নিৰ্বাচনী সভাত ভাষণ দি বিজেপিৰ কৰ নীতিক সমালোচনা কৰে আৰু বিজেপিয়ে দুখীয়া জনসাধাৰণৰ পৰিৱৰ্তে পুঁজিপতিসকলৰ পক্ষ লোৱা বুলি অভিযোগ উত্থাপন কৰে। তেওঁ অভিযোগ কৰি কয়, যে দেশত অনুসূচীত জনজাতি, অনুসূচীত জাতি আৰু অন্যান্য পিছপৰা শ্ৰেণীৰ সংখ্যা অধিক যদিও চৰকাৰী প্ৰতিষ্ঠানত তেওঁলোকৰ প্ৰতিনিধিত্ব পৰ্যাপ্ত নহয়।

ইপিনে পালামুৰ বিশ্ৰামপুৰৰ এখন নিৰ্বাচনী সভাত ভাষণ দি বিজেপিৰ সভাপতি জে পি নাড্ডাই মুখ্যমন্ত্ৰী হেমন্ত চোৰেনে ভুৱা প্ৰতিশ্ৰুতি প্ৰদান কৰা বুলি আৰু ৰাজ্যখনৰ জনসাধাৰণৰ সৈতে প্ৰবঞ্চনা কৰা বুলি অভিযোগ কৰে।

ইফালে মুখ্যমন্ত্ৰী হেমন্ত চোৰেনে বিজেপিক তীব্ৰ সমালোচনা কৰি কয়, যে তেওঁৰ চৰকাৰে ঝাৰখণ্ডৰ সৰ্বাংগীন উন্নয়নৰ বাবে ভালেখিনি কৰিছে।

আৰ জে ডি, এ জে এছ ইউ আৰু বাও দলৰ নেতাসকলেও আজি ৰাজ্যখনৰ বিভিন্ন প্ৰান্তত দলৰ হৈ প্ৰচাৰ চলায়। ৮১ জনীয়া ঝাৰখণ্ড বিধানসভাৰ বাবে ১৩ আৰু ২০ নৱেম্বৰত দুটা পৰ্যায়ত ভোটগ্ৰহণ অনুষ্ঠিত হ'ব। ২৩ নৱেম্বৰত ভোট গণনা কৰা হ'ব।

০০০০০০০০

অসমৰ ৫টা বিধানসভা সমষ্টিৰ উপ নিৰ্বাচনৰ প্ৰচাৰ অভিযান সামৰণি পৰিবলৈ মাজত ৪৮ ঘণ্টাৰো কম সময় বাকী থকা অৱস্থাত বিভিন্ন ৰাজনৈতিক দলৰ প্ৰচাৰ অভিযান তুংগত উঠিছে। মুঠ ৩৪ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা আগবঢ়োৱা এই নিৰ্বাচনৰ প্ৰচাৰ অভিযানত বিজেপিৰ জ্যেষ্ঠ নেতা তথা মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা, কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালকে ধৰি অন্যান্য মন্ত্ৰী, সাংসদ আৰু বিধায়কে এন ডি এৰ প্ৰাৰ্থীৰ হৈ বিভিন্ন নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰিছে। ৰাজ্যিক কংগ্ৰেছৰ সভাপতি ভূপেন কুমাৰ বৰা আৰু সাংসদ গৌৰৱ গগৈয়েও দলীয় প্ৰাৰ্থীৰ হৈ ঠায়ে ঠায়ে প্ৰচাৰ অব্যাহত ৰাখিছে। আজি কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে চামগুৰি সমষ্টিত প্ৰচাৰ সভাত অংশগ্ৰহণ কৰে। এই কাৰ্যসূচীত মন্ত্ৰী বিমল বৰাও উপস্থিত থাকে। মন্ত্ৰী কেশৱ মহন্তইও চামগুৰিত মিত্ৰজোটৰ প্ৰাৰ্থীগৰাকীৰ হৈ প্ৰচাৰ চলায়। ধলাই সমষ্টিত মন্ত্ৰী জয়ন্ত মল্ল বৰুৱাই প্ৰচাৰ সভাত অংশ লয়। সমষ্টিটোত আজি ভোটদাতাৰ মাজত সজাগতা সৃষ্টিৰ বাবে ফানুছ উৰুৱাই আকৰ্ষণীয় অনুষ্ঠানৰ আয়োজন কৰা হয়।

ইফালে কংগ্ৰেছ দলৰ সাংসদ তথা বিৰোধীৰ উপ দলপতি গৌৰৱ গগৈয়ে বিহালীত প্ৰচাৰ চলায়। সাংসদ ৰকিবুল হুছেইনেও আজি সমষ্টিটোত প্ৰচাৰ চলায়। চামগুৰিত কংগ্ৰেছ দলৰ প্ৰাৰ্থীগৰাকীৰ হৈ দলৰ ৰাজ্যিক সভাপতি ভূপেন বৰাই প্ৰচাৰ চলায়।

oooooooo

ৰাষ্ট্ৰীয় ৰাজধানী দিল্লীৰ বায়ুৰ গুণগত মান এতিয়াও শোচনীয় হৈ আছে। কেন্দ্ৰীয় প্ৰদূষণ নিয়ন্ত্ৰণ পৰিষদে প্ৰকাশ কৰা মতে দুপৰীয়া সময়ত ৰাষ্ট্ৰীয় ৰাজধানীত বায়ুৰ গুণগত মান এ কিউ আই সূচ্যাংক ৩৫৩ পোৱা গৈছে। ভাৰতীয় বতৰ বিজ্ঞান বিভাগে দিল্লী আৰু ৰাষ্ট্ৰীয় ৰাজধানী ক্ষেত্ৰত পৰৱৰ্তী ২-৩ দিনত নিশা আৰু পুৱাৰ ভাগত ধোঁৱা মিহলি কুঁৱলী পৰিব পাৰে বুলি আগলি বতৰা দিছে। পৰিষদৰ তথ্য অনুসৰি মোতিবাগত এ কিউ আই ৪০৮, বৱানাত ৪০৯, ৰোহিনীত ৩৯৬, বিবেক বিহাৰত ৩৯৩ আৰু পাঞ্জাবিবাগত ৩৮৫ পোৱা গৈছে।

oooooooo

সমগ্ৰ বিশ্বত সংক্ৰামক ৰোগৰ প্ৰতিৰোধ আৰু জনস্বাস্থ্য সুৰক্ষিত কৰাৰ ক্ষেত্ৰত প্ৰতিষেধকৰ ভূমিকাৰ বিষয়ে সজাগতা সৃষ্টি কৰাৰ উদ্দেশ্যে কাইলৈ বিশ্ব টীকাকৰণ দিৱস পালন কৰা হ'ব। এই দিনটোত প্ৰতিগৰাকী ব্যক্তিয়ে সহজে জীৱন ৰক্ষাকাৰী প্ৰতিষেধক লাভ কৰাৰ বাবে অবিৰত প্ৰচেষ্টাৰ আৱশ্যকতাত আলোকপাত কৰা হয়। এনে ধৰণৰ টীকাকৰণৰ জৰিয়তে পলিঅ', প্ৰসূতি আৰু নৱজাতকৰ মৃত্যুকে ধৰি ভালেমান ঘাটক ৰোগ নিৰ্মূল কৰাৰ ক্ষেত্ৰত ভাৰতে উল্লেখযোগ্য সাফল্য অৰ্জন কৰিছে। ২০২৩-২৪ বিত্তীয় বৰ্ষত দেশৰ নিৰ্ধাৰিত টীকাকৰণ লক্ষ্যৰ ৯৩ দশমিক ২-৩ শতাংশক সামৰি লোৱা হৈছে। সাৰ্বজনীন টীকাকৰণ আঁচনিৰ জৰিয়তে পলিঅ', বসন্ত, হেপাটাইটিছ-বি কে ধৰি ১২ বিধ ৰোগৰ বাবে বিনামূলীয়া প্ৰতিষেধক প্ৰদান কৰা হয়। ইউ-উইন প'ৰ্টেলৰ জৰিয়তে হিন্দীকে ধৰি ১১টা আঞ্চলিক ভাষাত এতিয়া গৰ্ভৱতী মহিলা আৰু ১৭ বছৰ বয়সলৈকে শিশু আৰু কিশোৰক প্ৰতিষেধক প্ৰদানৰ ডিজিটেল তথ্য অন্তৰ্ভুক্ত কৰা হৈছে। চলিত বৰ্ষৰ ছেপ্তেম্বৰ মাহত এই মঞ্চত ৬ কোটি ৪৬ লাখ হিতাধিকাৰীৰ পঞ্জীয়ন হৈছে আৰু ইয়াৰ এক কোটি ৪ লাখ প্ৰতিষেধক প্ৰদানৰ কাৰ্যসূচী গ্ৰহণ কৰা হৈছে আৰু ২৩ কোটি ৬ হেজাৰ পালি প্ৰতিষেধক প্ৰদান তথ্য লাভ কৰা হৈছে।

ভাৰতে ২০২১ বৰ্ষৰ জানুৱাৰীত আৰম্ভ কৰা কোভিড-১৯ৰ প্ৰতিষেধক প্ৰদান কাৰ্যসূচী সমগ্ৰ বিশ্বতে সফলৰূপে পৰিগণিত হৈছে। বিগত বৰ্ষৰ জানুৱাৰীত এই কাৰ্যসূচীৰ অধীনত ২২০ কোটিৰো অধিক প্ৰতিষেধক প্ৰদান কৰা হৈছে। ইয়াৰে ৯৭ শতাংশ যোগ্য হিতাধিকাৰীক কমেও এপালি প্ৰতিষেধক প্ৰদান কৰাৰ বিপৰীতে ৯০ শতাংশক দুপালি প্ৰতিষেধক প্ৰদান কৰা হৈছে।

oooooooo

অৰ্থনৈতিক সংকটত ভুগি থকা চুবুৰীয়া দেশ শ্ৰীলংকাৰ অৰ্থনীতি লাহে লাহে উন্নত হ'বলৈ আৰম্ভ কৰিছে। দ্বীপ ৰাষ্ট্ৰখনৰ অৰ্থনীতিত উল্লেখযোগ্য অৰিহণা আগবঢ়োৱা চাহ উদ্যোগৰো উপাৰ্জন লাহে লাহে বৃদ্ধি পাবলৈ লৈছে। যোৱা ৫ মাহৰ ভিতৰত শ্ৰীলংকাৰ চাহপাতে নীলাম বজাৰত ছয় নিযুত কিলোগ্ৰামৰ সংখ্যা অতিক্ৰম কৰিবলৈ সক্ষম হৈছে। অৱশ্যে এই পৰিমাণ পূৰ্বৰ সংখ্যা চুবলৈ এতিয়াও বাকী আছে বুলি অৰ্থনীতিবিদসকলে মত প্ৰকাশ কৰিছে।

উল্লেখযোগ্য যে, শ্ৰীলংকাৰ চাহপাত ইংলেণ্ড, ইউৰোপ, জাপান আৰু চীনত বিশেষভাৱে জনপ্ৰিয় আৰু চাহপাতৰ ৰপ্তানিৰ পৰা দেশখনে প্ৰভুত পৰিমাণৰ বিদেশী মুদ্ৰা আহৰণ কৰে।

০০০০০০০০

বাংলাদেশৰ একাংশ বস্ত্ৰ কাৰখানাৰ শ্ৰমিকে তেওঁলোকৰ বকেয়া মজুৰি প্ৰদানৰ দাবীত আজি গাজীপুৰ জিলাৰ ঢাকা-মৈমনসিং ৰাষ্ট্ৰীয় ঘাইপথত অৱৰোধ কৰে।

গাজীপুৰ জিলাৰ শীৰ্ষ আৰক্ষী বিষয়াই সংবাদমাধ্যমক জানিবলৈ দিয়া অনুসৰি শ্ৰমিকসকলে বিগত কেইবাদিন ধৰি তেওঁলোকৰ তিনিমাহৰ মজুৰি আদায় দিয়াৰ দাবীত প্ৰতিবাদ সাব্যস্ত কৰি আহিছে। শ্ৰমিকসকলে আজি পুৱাৰ পৰা ৰাষ্ট্ৰীয় ঘাইপথটো অৱৰোধ কৰাৰ ফলত আজি পুৱাৰে পৰা সেই পথেৰে যান-বাহনৰ চলাচল বন্ধ হৈ পৰে আৰু জনসাধাৰণ আহ-যাহৰ ক্ষেত্ৰত সমস্যাৰ সন্মুখীন হয়।

০০০০০০০০

ভাৰতৰ পংকজ আদৱানীয়ে বিশ্ব বিলিয়াৰ্ডছ ছেম্পিয়নশ্বিপৰ খিতাপ অৰ্জন কৰিছে। তেওঁ আজি বিয়লি কাটাৰৰ ডোহাত অনুষ্ঠিত ফাইনেলত ইংলেণ্ডৰ ৰবাৰ্ট হলক পৰাস্ত কৰে। ইয়াৰ পূৰ্বে পংকজ আদৱানীয়ে ভাৰতৰ আন এগৰাকী খেলুৱৈ সৌৰভ কোঠাৰীক ৪-২ৰ ব্যৱধানত  পৰাভূত কৰি ফাইনেলত স্থান নিশ্চিত কৰে। সৌৰভে ব্ৰঞ্জৰ পদক লাভ কৰে।

০০০০০০০০

সমাপ্ত